**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

# HEADLINES

**:::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উৎপাদনশীলতা আৰু ৰপ্তানী বৃদ্ধিৰ বাবে দেশৰ বিভিন্ন জলবায়ু পৰিস্থিতিৰ পূৰ্ণ সুযোগ গ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ওড়িশাত কালি ৩ হাজাৰ ৭৭০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

৩। নতুন দিল্লীত অনুষ্ঠিত ৰাইচিনা আলোচনা ২০২৬ৰ সুযোগতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে বিভিন্ন দেশৰ নেতাসকলক সাক্ষাৎ কৰে।

৪। চৰকাৰে বাতৰি সম্প্ৰচাৰ কৰা টিভি চেনেলসমূহৰ টি আৰ পি ব্যৱস্থা ৪ সপ্তাহৰ বাবে বন্ধ ৰাখিবলৈ ব্ৰডকাষ্ট অ'ডিয়েন্স ৰিচাৰ্চ কাউন্সিলক নিৰ্দেশ দিছে। *আৰু*

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উৎপাদনশীলতা আৰু ৰপ্তানী বৃদ্ধিৰ বাবে দেশৰ বিভিন্ন জলবায়ু পৰিস্থিতিৰ পূৰ্ণ সুযোগ গ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে দেশৰ কৃষি সামগ্ৰীসমূহ গোলকীয় পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা কৰিব পৰাকৈ উচ্চমানৰ শস্যৰ উৎপাদন বৃদ্ধিত গুৰুত্ব আৰোপ কৰিছে। কৃষি আৰু গ্ৰাম্য ৰূপান্তৰকৰণ বিষয়ক এখন বাজেটৰ পৰৱৰ্তী ৱেবিনাৰত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ পৰিৱৰ্তিত গোলকীয় চাহিদাৰ কথা উল্লেখ কৰি ভাৰতৰ কৃষি খণ্ডক ৰপ্তানীমুখী কৰাৰ প্ৰয়োজনীয়তাত আলোকপাত কৰে। শ্ৰীমোদীয়ে আন্তঃৰাষ্ট্ৰীয় মানৰ সামগ্ৰী উৎপাদন কৰিবলৈ বিশেষজ্ঞ, উদ্যোগ আৰু কৃষকসকলৰ একত্ৰিত প্ৰচেষ্টাৰ বাবে আহ্বান জনায়। তেওঁ লগতে স্থানীয় কৃষকসকলক গোলকীয় বজাৰৰ সৈতে সংযোগ কৰাৰ লক্ষ্য স্পষ্ট কৰাৰ প্ৰয়োজনীয়তাত আলোকপাত কৰে। ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত কাজু বাদাম, ককোৱা, চন্দন আদিকে ধৰি উচ্চমানৰ কৃষিত গুৰুত্ব আৰোপ কৰা হৈছে বুলি উল্লেখ প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে খোৱা তেল আৰু দাইলৰ ৰাষ্ট্ৰীয় অভিযান আৰু প্ৰাকৃতিক কৃষি ৰাষ্ট্ৰীয় অভিযানে কৃষিখণ্ডক শক্তিশালী কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে বৰ্তমান বিশ্বই স্বাস্থ্যৰ প্ৰতি অধিক সজাগ হৈছে আৰু সমগ্ৰ স্বাস্থ্যসেৱা তথা জৈৱিকভাৱে উৎপাদিত খাদ্যৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিছে। মীন খণ্ডত ভাৰত বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ মৎস্য উৎপাদনকাৰী দেশ বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে সম্প্ৰতি বিভিন্ন পুখুৰী আৰু জলাশয়ত প্ৰায় ৪ দশমিক ৫ লাখ টন মাছ উৎপাদন কৰি থকা হৈছে। ৰপ্তানীৰ বৃদ্ধিৰ বাবে পুখুৰীসমূহো অতি গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'ব পাৰে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে ই-নাম আৰু ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ উদাহৰণেৰে কৃষি প্ৰযুক্তি সংস্কৃতিৰ বিষয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে গ্ৰাম্য

অৰ্থনীতিৰ বিকাশৰ দিশত পশুপালন খণ্ডক অন্যতম গুৰুত্বপূৰ্ণ স্তম্ভ বুলি অভিহিত কৰে। তেওঁ কয়, যে চৰকাৰে ৩ কোটি লাখপতি বাইদেউ সৃষ্টিৰ লক্ষ্যত সফলভাৱে উপনীত হৈছে আৰু ২০২৯ চনৰ ভিতৰত অতিৰিক্ত ৩ কোটি লাখপতি বাইদেউ সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ওড়িশাত কালি ৩ হাজাৰ ৭৭০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ইয়াৰ ভিতৰত ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদ, ওড়িশা ৰাজ্যিক সমবায় দুগ্ধ উৎপাদক ফেডাৰেচন আৰু অন্যান্য ৰাজ্য চৰকাৰৰ প্ৰকল্পসমূহ আছে। শ্ৰীশ্বাহে লগতে ভাৰতীয় কৃষক সাৰ সমবায় লিমিটেডৰ পাৰাদ্বীপ গোটত তৃতীয়টো ছালফিউৰিক এচিড প্ৰকল্প উদ্বোধন কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ভূবনেশ্বৰত এখন সমবায় উন্নয়ন আলোচনা চক্ৰতো ভাগ লয়। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি উপস্থিত থাকে। শ্ৰীশ্বাহে তেওঁৰ ভাষণত কয়, যে কালি মুকলি কৰা প্ৰকল্পসমূহ ওড়িশাৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত হৈছে। তেওঁ কয়, যে পাৰাদ্বীপৰ ছালফিউৰিক এচিড প্ৰকল্পই ঘৰুৱা উৎপাদন বৃদ্ধি কৰি ৰাসায়নিক সাৰ উৎপাদনৰ ক্ষেত্ৰত দেশক স্বাৱলম্বী কৰি তোলাত অৰিহণা যোগাব।

অন্তৰ্বৰ্তী নিৰাপত্তাৰ প্ৰসংগ উল্লেখ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে বাওঁপন্থী উগ্ৰবাদ নিৰ্মূল কৰাৰ বাবে অভিযান তীব্ৰতৰ কৰি তুলিছে। এইমাহৰ শেষলৈ দেশ নক্সালবাদৰ পৰা মুক্ত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। শ্ৰীশ্বাহে লগতে কয়, যে চৰকাৰে নক্সালবাদৰ দ্বাৰা প্ৰভাৱিত অঞ্চলসমূহৰ বিকাশৰ বাবে আৰু জনজাতীয় সমুদায়সমূহে যাতে উন্নয়নমূলক পদক্ষেপৰ সুবিধাসমূহ লাভ কৰিব পাৰে তাৰ বাবে কাম কৰি আছে।

গৃহমন্ত্ৰীগৰাকীয়ে কালি ওড়িশাৰ ৰাষ্ট্ৰীয় ফৰেনচিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ এটা চৌহদৰ আধাৰশিলা স্থাপন কৰাৰ লগতে অস্থায়ী চৌহদ মুকলি কৰে। তেওঁ কয়, যে চৰকাৰে অপৰাধী ন্যায় ব্যৱস্থা শক্তিশালী কৰি তোলাৰ বাবে সমগ্ৰ দেশতে ফৰেনচিক বিজ্ঞান গৱেষণাগাৰ আৰু ৰাষ্ট্ৰীয় ফৰেনচিক বিজ্ঞান বিশ্ববিদ্যালয় নিৰ্মাণৰ জৰিয়তে ফৰেনচিক আন্তঃগাঁথনি বিকশাই তুলিছে। ভাৰত বিশ্বৰ দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে গঢ়ি উঠিছে বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয়, যে অৰ্থনৈতিক বিকাশ আৰু গোলকীয় বাণিজ্য বৃদ্ধিৰ বাবে বিগত কেইবছৰমানত কেইবাখনো মুক্ত বাণিজ্য চুক্তিত স্বাক্ষৰ কৰা হৈছে। কেন্দ্ৰ আৰু ওড়িশা চৰকাৰে ৰাজ্যখনৰ দ্ৰুত বিকাশৰ বাবে একেলগে কাম কৰি যাব বুলি গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

নতুন দিল্লীত অনুষ্ঠিত ৰাইচিনা আলোচনা ২০২৬ৰ সুযোগতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে বিভিন্ন দেশৰ নেতাসকলক সাক্ষাৎ কৰে। ড০ জয়শংকৰে কালি শ্ৰীলংকা, ভূটান, মৰিছাচ, কেনিয়া, মাল্টা, চিচিলি আৰু ৰোৱাণ্ডাৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয়, যে শ্ৰীলংকাৰ বিদেশমন্ত্ৰী বিজিতা হেৰটৰ সৈতে হোৱা সাক্ষাৎকালত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্ক আৰু আঞ্চলিক পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। ড০ জয়শংকৰে এইক্ষেত্ৰত মহাসাগৰ দৰ্শন আৰু চুবুৰীয়া প্ৰথম নীতিৰ কথা উল্লেখ কৰে। ভূটানৰ বিদেশ মন্ত্ৰী লিয়নপ' ডি এন ধুংগ্যায়লৰ সৈতে হোৱা বাৰ্তালাপত নেতা দুগৰাকীয়ে ভাৰত-ভূটানৰ মাজৰ অংশীদাৰিত্ব সুদৃঢ় কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। মৰিচাচৰ বিদেশমন্ত্ৰী ধনঞ্জয় ৰীতিশ ৰামকুলৰ সৈতে হোৱা বৈঠকত তেওঁলোকে দুয়োখন দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্ব শক্তিশালী

কৰাত গুৰুত্ব আৰোপ কৰে। কেনিয়াৰ বিদেশমন্ত্ৰী মুছালিয়া ডব্লিউ মুডাভাদিৰ সৈতে ড০ জয়শংকৰে দ্বিপাক্ষিক সম্পৰ্কৰ পূৰ্ণ সম্ভাৱনীয়তাৰ ওপৰত আলোকপাত কৰে।

০০০০০

চৰকাৰে বাতৰি সম্প্ৰচাৰ কৰা টিভি চেনেলসমূহৰ দৰ্শক গণনাকাৰীৰ প্ৰতিবেদন- টি আৰ পি ৪ সপ্তাহৰ বাবে বন্ধ ৰাখিবলৈ ব্ৰডকাষ্ট অডিয়েন্স ৰিচাৰ্চ কাউন্সিল চমুকৈ বি এ আৰ চিক নিৰ্দেশনা দিছে। নিৰ্দেশনা অনুসৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে জনোৱা মতে কিছুমান টিভিৰ নিউজ চেনেলে বৰ্তমান চলি থকা ইজৰাইল-ইৰানৰ সংঘৰ্ষজনক বাতৰিসমূহ অধিক চাঞ্চল্যকৰভাৱে সম্প্ৰচাৰ কৰি আহিছে। এনে বাতৰিয়ে ক্ষতিগ্ৰস্ত অঞ্চলসমূহত বাস কৰা ভাৰতীয় নাগৰিকসকলৰ আত্মীয়, পৰিয়াল আৰু বন্ধুবৰ্গৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। নিৰ্দেশনাটোত কোৱা হৈছে যে এই বন্ধৰ ম্যাদ পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত ৪ সপ্তাহলৈ বাহাল থাকিব।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা বৃহস্পতিবাৰে ইংলেণ্ডৰ বিৰুদ্ধে ৰোমাঞ্চকৰ ছেমি ফাইনেলত ৭ ৰানত জয়লাভ কৰে। একেদৰে আন এখন ছেমি ফাইনেলত নিউজিলেণ্ডে ফিন এলেনৰ দ্ৰুততম শতকেৰে দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০

সমাপ্ত